# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 03-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা ৯ দিনৰ বিৰতিৰ মূৰত আজিৰ পৰা দিছপুৰত পুনৰ অনুষ্ঠিত হ'ব। আজিৰ পৰা শুকুৰবাৰলৈ চলিবলগীয়া সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব। ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক অনুষ্ঠান প্ৰচাৰ কৰিব। তদুপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

ooooo

অসম ভ্ৰমণসূচীৰে কালি ডিব্ৰুগড়ত উপস্থিত হোৱা ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ প্ৰখ্যাত এথলিট পি টি উষাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কালি ডিব্ৰুগড় জিলা সন্থাৰ উদ্যোগত আউটড'ৰ ষ্টেডিয়ামত দৌৰবিদগৰাকীক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি দৌৰবিদ গৰাকীয়ে কয়, যে তেওঁৰ দিনত ভাৰতত ক্ৰীড়াৰ বাবে এনেধৰণৰ আন্তঃগাথনি নাছিল। তেতিয়া দৌৰিবৰ বাবে স্পাই'ক নাছিল। কিন্তু তেওঁ যিকোনো ট্ৰেককে চিন্থেটিক ট্ৰেকৰ দৰে অনুভৱ কৰি ১০০ টা আন্তৰ্জাতিক পদক লাভ কৰিবলৈ সমৰ্থ হোৱা বুলি কয়।

ooooo

ইন্দিজেনাছ পিপ'ল্ছ অব্ মৌং ডুন চুন খাম নৰ্থ ইষ্ট ইণ্ডিয়াৰ উদ্যোগত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ টাই-আহোম ছাত্ৰ সন্থাৰ সহযোগত কালি বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত টাই-আহোম ভাষা-সংস্কৃতিৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ঝাৰখণ্ডৰ ছনা দেৱী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° লিপি ঘোষ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই উপলক্ষে কালি বিয়লি উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয়াসকলৰ ইতিহাস আৰু সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আয়োজক সংগঠনটোৰ

সচিব প্ৰধান অনুপ আৰান্ধনাৰ সঞ্চালনাত আয়োজিত আলোচনাচক্ৰত বিশিষ্ট চিন্তাবিদ, লেখক ইছমাইল হুছেইন, আন্তঃৰাষ্ট্ৰীয় সংস্থা ইকেপৰ গৱেষক চাও হেমজিৎ দেওধাই ফুকনৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। এই কাৰ্যসূচীত গুৱাহাটী আৰু কটন বিশ্ববিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইন্দিজেনাছ পিপ'ল্‌ছ অব্ মৌং ডুন চুন খাম নৰ্থ ইষ্ট ইণ্ডিয়াৰ মুখ্য উপদেষ্টা নীলাম্বৰ গগৈৰ উদ্যোগত কালিৰ অনুষ্ঠানত ৫টা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া অধিকাৰ চনদ উত্তৰ-পূৰ্বাঞ্চলত সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা, সমগ্ৰ উত্তৰ-পূবত আন্তঃদেশীয় পাৰপত্ৰৰ ব্যৱস্থা কৰাকে ধৰি গুৰুত্বপূৰ্ণ বিষয়সমূহ অন্তৰ্ভুক্ত হৈছে।

০০০০০

নগাঁও জিলাৰ বেবেজিয়াৰ জুৰীয়া নামঘৰৰ সমীপৰ মুকলি পথাৰৰ প্ৰাকৃতিক পৰিৱেশত যান্ত্ৰিক শব্দ আৰু পোহৰবিহীনভাৱে দুদিনীয়াকৈ অনুষ্ঠিত ষষ্ঠ বাৰ্ষিক ৰ'দঘাই বেবেজিয়া নাট মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা চাৰিখন নাটক মঞ্চস্থ কৰা হয়। নাট্যশিল্পী শুক্ৰাচাৰ্য ৰাভাই সৃষ্টি কৰা বিৰল নাট্যধাৰাৰ অনুকৰণত আয়োজিত এই নাট্য মহোৎসৱৰ প্ৰথম দিনা ধিঙৰ প্ৰয়াস নাট্য গোষ্ঠীয়ে ধৰ ঝাৰু ধৰ ভাই, যোৰহাটৰ শব্দই যাপন উদযাপন, মঙলদৈৰ জেংৰাই অসম নাট্য দলে ছন পৰা বৃন্দাবন, নগাঁৰৰ চন্দ্ৰ জ্যোতি সংঘই ভণ্টিৰ হাঁহি নাট মঞ্চস্থ কৰে। কালি ৰ'দঘাই বেবেজিয়াৰ জাকে জাকে উৰি যায় চৰাই, পুৰণি গুডামৰ ভাস থিয়েটাৰৰ ভগৱদজ্জুকমকে ধৰি ৪ খন নাটক মঞ্চস্থ কৰা হয়।

০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ ন-পুৰণি সমিতিৰ যুটীয়া বৈঠক আৰু প্ৰথম কাৰ্যনিৰ্বাহক অধিৱেশন অহা ৯ মাৰ্চ দেওবাৰে যোৰহাটত অনুষ্ঠিত হ'ব। এই অধিৱেশনত সভাৰ ন-পুৰণি সদস্যসকলে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে যোৱা ৫ ফেব্ৰুৱাৰীত বজালী আৱৰ্ত ভৱনত অনুষ্ঠিত প্ৰাৰম্ভিক বৈঠকত মহিলাৰ বাবে ৩৩ শতাংশ আসন, বিতৰ্কিত ব্যক্তিসকলক কাৰ্য নিৰ্বাহকত অন্তৰ্ভুক্ত নকৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এইবাৰৰ অধিৱেশনত এই বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফীত জয়ৰ ধাৰা অব্যাহত ৰাখি ভাৰতে গ্ৰুপ-এত নিউজিলেণ্ডৰ বিৰুদ্ধে ৪৪ ৰাণত জয়লাভ কৰে। ভাৰতে প্ৰথমে বেটিং কৰি নিউজিলেণ্ডক জয়ৰ বাবে ২৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। নিউজিলেণ্ডে ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ২০৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ বৰুণ চক্ৰৱৰ্তীয়ে ৫টা, কুলদীপ যাদৱে দুটা, হাৰ্দিক পাণ্ডিয়া, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে। বৰুণ চক্ৰৱৰ্তীক **প্লেয়াৰ অব দা মেচ** ঘোষণা কৰা হয়।

ভাৰত কাইলৈ ডুবাইত ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আৰু নিউজিলেণ্ড পৰহিলৈ লাহোৰত দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত